**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী দলে কালি ৰাজ্যৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আটাইকেইগৰাকী ব্যক্তিয়ে কয়, যে এছ আই টিয়ে তেওঁলোকক তদন্ত প্ৰক্ৰিয়া অগ্ৰগতি সম্পৰ্কে অৱগত কৰে যদিও মৰণোত্তৰ পৰীক্ষা বা তেনে কোনোধৰণৰ গোপনীয় তথ্য তেওঁলোকক প্ৰদান কৰা নাই। ছিংগাপুৰতো সমান্তৰালভাৱে এই ঘটনাৰ তদন্ত চলি থকা বুলি এছ আই টিয়ে অৱগত কৰাৰ কথা তেওঁলোকে উল্লেখ কৰে।

উল্লেখযোগ্য যে ২০ গৰাকী ব্যক্তিক আলোচনাৰ বাবে আমন্ত্ৰণ জনাইছিল যদিও ৬ গৰাকী ব্যক্তিয়ে বৈঠকত উপস্থিত হয়। বৈঠকত ডাঃ শুভ্ৰকিংকৰ গোস্বামী, সঞ্জীৱ ফুকন, অতনু ভূঞা, প্ৰাঞ্জল শইকীয়া, ডাঃ হিতেশ বৰুৱা আৰু শিৱাণু বৰা উপস্থিত আছিল। ইফালে তদন্ত প্ৰক্ৰিয়া সঠিকভাৱে আগবাঢ়িছে বুলি মন্ত্ৰী পীযূষ হাজৰিকাই সংবাদ মাধ্যমক প্ৰকাশ কৰিছে।

**বাইট (পীযূষ হাজৰিকা)**

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত গ্ৰেপ্তাৰ হোৱা অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক আজি এছ আই টিয়ে কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰাব। ১৪ দিনৰ ম্যাদ অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত তদন্তকাৰী গোটে দুয়োকে আদালতত হাজিৰ কৰাব। যোৱা ১ অক্টোবৰত দুয়োকে গ্ৰেপ্তাৰ কৰা হৈছিল। ইপিনে ঘটনা সন্দৰ্ভত আজি পুনৰ তিনিগৰাকী প্ৰবাসী অসমীয়া চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হোৱাৰ সম্ভাৱনা আছে।

oooooo

এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল আজি ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰি  কয়, যে আজি দিনৰ চাৰে ১০ বজাত সংশ্লিষ্ট ৱেবছাইটত প্ৰাৰ্থীসকলে ফলাফলসমূহ লাভ কৰিব। তেওঁ লগতে আজিৰেপৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে। চলিত মাহৰ ভিতৰতে ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হোৱা বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্য চৰকাৰে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। নৱেম্বৰত আৰক্ষীৰ ভালেমান পদত নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

oooooo

ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে ডিব্ৰুগড়তো সাহিত্যিক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ১৬২ সংখ্যক জয়ন্তী কালি বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। ডিব্ৰুগড় সাহিত্য সভাৰ উদ্যোগত আয়োজিত জয়ন্তী উপলক্ষে বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে এখন সভা আয়োজিত হয়। ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মিনাক্ষী দাস বৰুৱা আঁতধৰা অনুষ্ঠানত জিলা সাহিত্য সভাৰ উপ-সভাপতি তথা শিক্ষক, সাংবাদিক যাদৱ গগৈয়ে বন্তি প্ৰজ্বলন কৰে। বেজবৰুৱাৰ জয়ন্তী উপলক্ষে সন্ধিয়া ডিব্ৰুগড় সাহিত্য সভাৰ ভৱনটো পোহৰেৰে উজলাই তোলা হয়।

oooooo

ৰাজ্য চৰকাৰে যোৱা এপ্ৰিলত অনুষ্ঠিত কৰা ঝুমই বিনন্দিনী শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰা চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক কাইলৈ সম্বৰ্ধনা জনোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। কাইলৈ দিনৰ ১১ বজাত খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ লগতে কেইবাগৰাকীও সাংসদ আৰু বিধায়ক উপস্থিত থাকিব। উল্লেখযোগ্য যে চৰকাৰে সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰা চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক যোৱা ছেপ্তেম্বৰত মাননি প্ৰদানৰ বাবে চিন্তা-চৰ্চা কৰিছিল যদিও বিভিন্ন কাৰণত সেয়া সম্ভৱ নহ'ল। সেয়ে কাইলৈ এইসকল যুৱক-যুৱতীক গুৱাহাটীত সম্বৰ্ধনা জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে ৰাজ্যজুৰি আৰম্ভ কৰা **শুশ্ৰূষা সেঁতু** শীৰ্ষক বিধানসভা সমষ্টিভিত্তিক স্বাস্থ্য শিবিৰত এই পৰ্যন্ত লক্ষাধিক শিশু আৰু কিশোৰ-কিশোৰীক চিকিৎসা সেৱা প্ৰদান কৰা হৈছে। যোৱা ১০ অক্টোবৰ পৰ্যন্ত ৰাজ্যৰ ৩৯টা সমষ্টিভিত্তিক স্বাস্থ্য মেলাত ১০ হাজাৰৰো অধিক ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীক প্ৰাথমিক পৰ্যায়ৰ চিকিৎসা প্ৰদান কৰা হৈছে।

কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে এই শিবিৰৰ আয়োজন কৰা হৈছে। শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ প্ৰাথমিক পৰ্যায়ত ৰোগ নিৰ্ণয় আৰু বিনামূলীয়া চিকিৎসা তথা পৰামৰ্শ প্ৰদান কৰা হ'ব। নিউ গুৱাহাটী সমষ্টিৰ বাবে কালি চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত শিবিৰ মুকলি কৰা হয়। শিবিৰত দুহেজাৰ ৩৩৬ গৰাকী শিশু আৰু কিশোৰ কিশোৰীয়ে বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা বিনামূলীয়া চিকিৎসা লাভ কৰে। ইয়াৰে ১৫৪ গৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। একেদৰে গুৱাহাটী ছেণ্ট্ৰেল বিধানসভা সমষ্টিৰ বাবে কাইলৈ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত আৰু ডিমৰীয়া সমষ্টিৰ বাবে ২৪ অক্টোবৰত ডিমৰীয়াত এই শিবিৰ অনুষ্ঠিত হ'ব। দিছপুৰ সমষ্টিৰ বাবে ৩১ অক্টোবৰত দক্ষিণ বেলতলা উচ্চ মাধ্যমিক বিদ্যালয়ত শিবিৰ মুকলি কৰা হ'ব।

ডিমা হাচাও জিলাৰ এন এল দাউলাগুপু ক্ৰীড়া প্ৰকল্পত আজি এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। বিশ্বনাথ জিলাতো সমষ্টি ভিত্তিত কালি মেগা স্বাস্থ্যশিবিৰ অনুষ্ঠিত হয়। বিশ্বনাথ বাণিজ্য মহাবিদ্যালয় প্ৰাংগণত এই মেগা স্বাস্থ্য শিবিৰৰ আৰম্ভণি কৰা হয়।

নগাঁও চহৰৰ কলঙৰ বাকৰিৰ নেহৰুবালিত কালি এই স্বাস্থ্যশিবিৰ অনুষ্ঠিত হয়। শিবিৰত ভালেসংখ্যক কিশোৰ-কিশোৰী আৰু শিশুৰ স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। সুস্থ অসম গঢ়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই কাৰ্যসূচীত ৰাইজৰ অভূতপূৰ্ব সঁহাৰি পৰিলক্ষিত হৈছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ খোৱাং ধেমেচি চিলচিলি কলালো কোচ গাঁৱৰ সমাজকৰ্মী তপন দত্তৰ কালি নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত সৰবৰহী লোকজনৰ বয়স হৈছিল ৫২ বছৰ। দত্তৰ মৃত্যুত ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বিষয়ববীয়াই গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত